Regional News Unit
All India Radio, Guwahati
0000000000

Date : 30-08-2024 Time : 1715 Hrs.

*Assamese Evening Bulletin*
0000000

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি পঞ্চমদিনা কেইখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪, পৰিবহন মন্ত্ৰী কেশৱ মহন্তই দি আছাম মটৰ ভেহিক'ল টেক্সেছন এমেণ্ডমেণ্ট বিল-২০২৪, ৰাজহ মন্ত্ৰী যোগেন মহনে দি আছাম ফিক্সেছন অৱ ছিলিং অন লেণ্ড হল্ডিংছ এমেণ্ডমেণ্ট বিল-২০২৪, দি আছাম এগ্ৰিকালছাৰেল লেণ্ড (ৰেগুলেছন অৱ ৰি ক্লাছিফিকেছন এণ্ড ট্ৰান্সফাৰ ফৰ নন এগ্ৰিকালছাৰেল পাৰপাছ) এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰে। আজি বিধানসভাত জুম্মা নামাজ বিৰতি ৰদ কৰাৰ বিষয়েও সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইফালে, আজি বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ৰাজ্যত ২০২০ চনৰ পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰি কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনত ২০২০ৰ পৰা বৰ্তমনলৈকে মুঠ ৭৮৪জন লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যত বিগত সময়ছোৱাত বানপানীৰ ক্ষয়-ক্ষতিৰো তথ্য দাঙি ধৰে।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে আজি চিৰাং জিলাৰ পশ্চিম শিলপাতা আদৰ্শ অংগনবাড়ী কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰটোৰ শিশুসকলৰ মাতৃসকলৰ সৈতে বাৰ্তালাপ কৰে। ড০ মুৰুগানে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে কাজলগাঁৱত সমাজ কল্যাণ বিভাগৰ মহিলা পৰামৰ্শদাতা কেন্দ্ৰটো পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ সৈতে সাংসদ ৰণগৌড়া নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, বি টি চিৰ কাৰ্যবাহী সদস্য গৌতম দাস আৰু চিৰাঙৰ জিলা আয়ুক্তই অনুষ্ঠানত অংশ লয়। ইয়াৰ পাছত তেওঁ জিলাখনৰ দাংতল খাগ্ৰাবাৰীত হিন্দুস্তান পেট্ৰ'লিয়াম কৰ্পোৰেশ্যন লিমিটেডৰ তৈলভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই নিৰ্মাণৰত তৈল ভাণ্ডাৰে বি টি চিৰ আৰ্থ-সামাজিক দিশত বিশেষভাৱে অৰিহণা যোগাব বুলি মত প্ৰকাশ কৰে।

ইয়াৰ পাছত তেওঁ চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শিক্ষানুষ্ঠান আৰু কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ আঁচনি পৰিদৰ্শন কৰে। ভ্ৰমণসূচী সামৰি মন্ত্ৰীগৰাকী দিল্লীলৈ উভতিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে মহাৰাষ্ট্ৰৰ পালঘৰত নিৰ্মাণ হ'বলগীয়া ৱাধৱন বন্দৰ হৈছে এটা অতি গুৰুত্বপূৰ্ণ প্ৰকল্প। এই বন্দৰে দেশৰ উন্নয়নত অৰিহণা যোগাব বুলিও প্ৰধানমন্ত্ৰীয়ে লগতে উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বন্দৰৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে আজি উদ্বোধন হোৱা দেশৰ সৰ্ববৃহৎ গভীৰ পানীৰ বন্দৰে প্ৰগতিৰ

শক্তিকেন্দ্ৰ হিচাপে মহাৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাক পুনৰ নিশ্চিত কৰিব। এই প্ৰকল্পই ভাৰতৰ সামুদ্ৰিক শক্তি বৃদ্ধি কৰাৰ লগতে গোলকীয় বাণিজ্যৰো প্ৰসাৰ সাধন কৰিব। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰায় ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ৱাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰে। এই বন্দৰটো দেশৰ অন্যতম বৃহৎ গভীৰ পানীৰ বন্দৰ হোৱাৰ লগতে এই বন্দৰে জল পৰিবহণৰ সময় আৰু ব্যয় হ্ৰাস কৰি আন্তঃৰাষ্ট্ৰীয় জাহাজ পথৰ সৈতে পোনপটীয়াকৈ যোগাযোগ স্থাপন কৰিব।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে চলচ্চিত্ৰত সাৰ্বজনীন অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লক্ষ্যৰে নিৰ্দেশাৱলী গ্ৰহণ কৰিছে। চলচ্চিত্ৰত বিশেষকৈ শ্ৰৱণ আৰু দৃষ্টি বাধাগ্ৰস্ত লোকৰ অংশগ্ৰহণ নিশ্চিত কৰাটোৱেই ইয়াৰ মূল উদ্দেশ্য। ইয়াৰ পৰিপ্ৰেক্ষিতত চলচ্চিত্ৰ একোখনত শ্ৰৱণ বাধাগ্ৰস্তসকলৰ বাবে সাংকেতিক ভাষা আৰু দৃষ্টি বাধাগ্ৰস্তসকলৰ বাবে ধাৰা বিৱৰণীৰ ব্যৱস্থা কৰিব লাগিব। দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ সভাগৃহত এই সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। গুৱাহাটীৰ কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণ-পত্ৰ বোৰ্ডৰ আঞ্চলিক বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে এই বিষয় সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। সাৰ্বজনীন অংশগ্ৰহণ সহজ কৰি তোলাৰ উদ্দেশ্যে তেওঁ চলচ্চিত্ৰ উদ্যোগক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। এই কৰ্মশালাত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা, ভিডিঅ' সম্পাদক, শব্দ অভিযন্তা, চলচ্চিত্ৰ প্ৰদৰ্শকৰ লগতে চলচ্চিত্ৰ অনুৰাগীসকলে অংশগ্ৰহণ কৰে। কৰ্মশালাত মুম্বাইৰ পৰা এক্সেল চিনেমাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীমতী দিপ্তী প্ৰসাদেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। উত্তৰ পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

০০০০০০

নুমলীগড় তেল শোধনাগাৰ লিমিটেডৰ ৩১ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন আজি প্ৰতিষ্ঠানটোৰ গুৱাহাটীত থকা কৰ্প'ৰেট কাৰ্যালয়ত অনুষ্ঠিত হয়। এন আৰ এল আৰু চি এম ডি অইলৰ অধ্যক্ষ ড০ আৰ ৰাথৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শোধনাগাৰৰ পৰিচালন সঞ্চালক বি জে ফুকন আৰু শোধনাগাৰ পৰিষদৰ অন্যান্য সদস্য আৰু অংশীদাৰীসকল উপস্থিত থাকে। সভাত ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে প্ৰতিষ্ঠানটোৰ প্ৰায় ২৫৯ কোটি টকাৰ চূড়ান্ত লভ্যাংশ ঘোষণা কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে বিত্তীয় বৰ্ষটোত ৪৫২ কোটি টকাৰ অন্তৰ্বৰ্তীকালীন লভ্যাংশ প্ৰদান কৰিছে। তেল শোধনাগাৰটোৰ বাৰ্ষিক সাধাৰণ সভাখনত ২০২৩-২৪ চনৰ বিত্তীয় বৰ্ষত প্ৰতিষ্ঠানটোৱে খাৰুৱা তেলৰ প্ৰক্ৰিয়াকৰণত অভিলেখসংখ্যক দক্ষতা দেখুৱাইছে বুলিও অৱগত কৰা হয়। উল্লেখযোগ্য যে প্ৰতিষ্ঠানটোৱে চলিত বছৰৰ এতিয়ালৈকে সৰ্বাধিক স্বতন্ত্ৰ মূলধনী ব্যয় ৮ হাজাৰ ৫০২ কোটি টকালৈ বৃদ্ধি কৰিছে। এই বৃদ্ধি বিগত বৰ্ষৰ তুলনাত ২৪ শতাংশ বেছি। ইয়াৰ ফলত দীৰ্ঘম্যাদী বৃদ্ধি আৰু বহন ক্ষমতা সুনিশ্চিত হোৱাৰ লগতে সৰু-ডাঙৰ প্ৰকল্পসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত অগ্ৰগতি নিশ্চিত হৈছে।

০০০০০০০

**সমাপ্ত**